স্বেচ্ছাকৃত নিবনুৱাৰ ভিতৰত পৰে। গতিকে স্বেচ্ছাকৃত নিবনুৱাক প্ৰকৃত নিবনুৱা আখ্যা দিব পৰা নেযায়। যিসকল অনিচ্ছাকৃত নিবনুৱা তেওঁলোককহে নিবনুৱা আখ্যা দিয়া হয়।

6.3.1। **অসমত নিবনুৱাৰ প্ৰকাৰ** ঃ অসমৰ নিবনুবাসকলক প্ৰধানকৈ দুটা ভাগত ভগাব পৰা যায়। সেইয়া হ'ল— (ক) গ্ৰাম্য নিবনুৱা আৰু (খ) নগৰীয়া নিবনুৱা।

(1) **গ্ৰাম্য নিবনুৱা (Rural Enemployment)** ঃ অসমৰ সৰহ সংখ্যক মানুহেই গ্ৰাম্য এলেকাত বসবাস কৰে। যিহেতু অসম এখন কৃষি প্ৰধান দেশ আৰু উদ্যোগৰ সংখ্যা তেনেই সীমিত গতিকে অসমৰ গাওঁ এলেকাত নিবনুৱাৰ সংখ্যা নগৰ এলেকাতকৈ বহুত বেছি। অসমৰ গ্ৰাম্য নিবনুৱাক পুনৰ দুটা ভাগত ভাগ কৰিব পাৰি। সেইয়া হ'ল— (1) ক্ষতুগত নিবনুৱা আৰু (2) ছদ্মবেশী নিবনুৱা।

(ক) **ঋতুগত নিবনুৱা (Seasonal Unemployment)** ঃ অসম এখন কৃষি প্ৰধান অৰ্থনীতি। কিন্তু কৃষি সাধাৰণতে ঋতু ভিত্তিক। সেয়েহে কৃষিকাৰ্য্যই গাওঁ এলেকাত বসবাস কৰা লোকক গোটেই বছৰ ধৰি কৰ্ম সংস্থাপনৰ যোগাৰ ধৰিব নোৱাৰে। গতিকে বছৰৰ বহু সময় এনেবিলাক লোক কৰ্মহীন হৈ থাকিব লগা হয়। এইসকলকে ঋতুগত নিবনুৱা আখ্যা দিয়া দিয়া হয়।

(খ) **ছদ্মবেশী নিবনুৱা (Disguised Unemployment)** ঃ অসম তথা ভাৰতৰ সীমিত পৰিমাণৰ কৃষি ভূমিৰ ওপৰত সংখ্যাধিক জনসংখ্যাৰ হেঁচাই ছদ্মবেশী নিবনুৱাৰ সৃষ্টি কৰে। ইয়াৰ কাৰণ কৃষিকাৰ্য্যত যিমান শ্ৰমিকৰ প্ৰয়োজন নিয়োজিত শ্ৰমিকৰ পৰিমাণ তাতোতকৈ অধিক হয়। ইয়াৰে কেইজনমান ব্যক্তি আঁতৰাই পঠিয়ালেও মুঠ উৎপাদন একে থাকে। কৃষি কাৰ্য্যৰ পৰা আঁতৰাই অনা এনে শ্ৰমিকৰ প্ৰান্তিক উৎপাদনশীলতা শূণ্য হয়। অৰ্থাৎ উৎপাদন বৃদ্ধিত তেওঁলোকৰ কোনো অৰিহণা নাই। আমি জানো যে নিযুক্তিয়ে উৎপাদন বঢ়ায়। কিন্তু দেখা পোৱা যায় কৃষিকাৰ্য্যত নিযুক্তি দিয়া এচাম শ্ৰমিকৰ নিযুক্তিয়ে উৎপাদন বৃদ্ধিত প্ৰভাৱ নেপেলায়। কৃষি কাৰ্য্যত জড়িত হোৱা যিখিনি শ্ৰমিকৰ প্ৰান্তিক উৎপাদন ক্ষমতা শূণ্য হয় অৰ্থাৎ কৃষি কাৰ্য্যত নিযুক্তি লাভ কৰি থকা এই চাম শ্ৰমিককে ছদ্মবেশী নিবনুৱা বোলে।

(2) **নগৰীয়া নিবনুৱা (Urban Enemployment)** ঃ আমাৰ দেশৰ নগৰীয়া অঞ্চলত দেখা পোৱা নিবনুৱাসকলকে নগৰীয়া নিবনুৱা বোলা হয়। এই নগৰীয়া নিবনুৱাক দুটা ভাগত ভাগ কৰিব পৰা যায়। সেইয়া হ'ল— (ক) নগৰীয়া বা ঔদ্যোগিক নিবনুৱা আৰু (খ) শিক্ষিত নিবনুৱা।

(ক) **নগৰীয়া বা উদ্যোগিক নিবনুৱা (Urban or Industrial Unemployment)** ঃ অসমৰ নগৰীয়া অঞ্চলত মন্থৰ গতিৰ উদ্যোগীকৰণ আৰু গাওঁ অঞ্চলৰ পৰা নগৰ অঞ্চললৈ জনসংখ্যাৰ প্ৰব্ৰজন এই দুটা কাৰণত নগৰীয়া নিবনুৱাৰ সৃষ্টি হৈছে। প্ৰকৃততে অসমৰ নগৰ এলেকাত জনসংখ্যা যি হাৰত বৃদ্ধি পাইছে একেটা হাৰত যদি উদ্যোগীকৰণ দিশটোৱেও সম্প্ৰসাৰণ ঘটাব পাৰিলেহেঁতেন তেতিয়া হ'লে বিশেষ একো সমস্যা নেথাকিলেহেঁতেন। কিন্তু অসমৰ নগৰ এলেকাত জনসংখ্যা বৃদ্ধিৰ হাৰ যথেষ্ট বেছি গতিকে নগৰীয়া নিবনুৱাও বেছি হোৱা দেখা যায়।

(খ) **শিক্ষিত নিবনুৱা (Educated Unemployment)** ঃ অসমৰ নগৰীয়া নিবনুৱাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শ্ৰেণীটো হ'ল শিক্ষিত নিবনুৱা। অসমত প্ৰৱেশিকা, উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী, স্নাতক আৰু স্নাতোকোত্তৰ ডিগ্ৰীধাৰীলোকৰ মাজত নিবনুৱা সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পোৱা দেখা যায়। ইয়াৰ কাৰণ অসমত যিমানে জনসংখ্যা বৃদ্ধি পাইছে শিক্ষিত নিবনুৱাৰ সংখ্যাও সিমানে বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে 2009 চনত অসমৰ সমূহ নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ণ কৰা মুঠ নিবনুৱাৰ পৰিমাণ আছিল 20,79,558 জন। জানিব পৰা মতে সেই বছৰত মাথোন 2506 টা পদহে খালী আছিল আৰু তাৰে 501 পদতহে উক্ত বছৰত মকৰল কৰা হৈছিল। 2009 চনত অসমত মুঠ শিক্ষিত নিবনুৱাৰ সংখ্যা আছিল 15,20,310 জন। এই বৃহৎ পৰিমাণ শিক্ষিত নিবনুৱাৰ মাজত মাথোন 501 জন নিবনুৱাক সংস্থাপন দিয়াটো কিমান ভয়াবহ অৱস্থা তাক ভুক্তভোগীয়েহে উপলব্ধি কৰিব পাৰে।

ইয়াৰ উপৰিও অসমত আৰু কেই প্ৰকাৰমান নিবনুৱা দেখা যায়। সেইয়া হ'ল—

(1) **গাঁঠনিমূলক নিবনুৱা (Structural Unemployment)** ঃ আমাৰ

দেশত সাধাৰণতে প্ৰায়বোৰ উৎপাদন কাৰ্য্যতপ্ৰাচীন কালৰ সৰল পদ্ধতিবোৰক ব্যৱহাৰ কৰা হয়। কিন্তু এনে কৌশল পৰিৱৰ্তন কৰি বৰ্তমান কালৰ পদ্ধতি ব্যৱহাৰ কৰিলে মূলধন, প্ৰযুক্তিবিদ্যাৰ নিযুক্তি বাঢ়ে আৰু মানৱ সম্পদৰ নিযুক্তি কমে। ফলত শ্ৰমিকৰ যোগান বৃদ্ধি পায়, নিবনুৱাৰ সংখ্যা বৃদ্ধি কৰে। ইয়াকে গাঁঠনিমুলক নিবনুৱা বোলা হয়। অসমৰ কৃষিকাৰ্য্যত টেক্টৰৰ ব্যৱহাৰ, ছপাশালত শ্ৰমিকৰ পৰিৱৰ্তে কম্পিউটাৰৰ ব্যৱহাৰ, গাখীৰৰ পৰা নানা তৰহৰ মিঠাই তৈয়াৰ কৰাত যন্ত্ৰৰ ব্যৱহাৰ আদিৰ পৰিৱৰ্তনৰ ফলত গাঁঠনিমূলক নিবনুৱা সৃষ্টি হোৱা দেখা পোৱা যায়।

(2) **সংঘাটজনিত নিবনুৱা (Frictional Unemployment)** ঃ অসমৰ কেইবাটাও বস্ত্ৰ উদ্যোগ, কাগজৰ উদ্যোগ, মৰাপাটৰ উদ্যোগ, চিনেমা হল, দোকান-পোহাৰ, মৎস্য উদ্যোগত এচাম ব্যক্তি অতি দক্ষ শ্ৰমিক উদ্যোক্তা হিচাপে নিজকে গঢ়ি তোলা স্বতেও বৰ্তমানত এনে উদ্যোগবোৰৰ মৃত্যু ঘটাত এনে লোকসকল পুনৰ নিযুক্তি লাভৰ পৰা বিৰত থাকিব লগা হৈছে। এইসকল শ্ৰমিক উদ্যোক্তাকে সংঘাটজনিত নিবনুৱা আখ্যা দিয়া হয়।

(3) **চক্ৰীয় নিবনুৱা (Cyclical Unemployment)** ঃ বাণিজ্য চক্ৰৰ উত্থান-পতনৰ বাবে যি নিবনুৱা সৃষ্টি হয় তাক চক্ৰীয় নিবনুৱা বোলা হয়। সাধাৰণতে পুনৰুত্থান স্তৰৰ পৰা সমৃদ্ধি স্তৰলৈ নিযুক্তিপ্ৰাপ্ত শ্ৰমিক উদ্যোক্তাৰ আয় যি পৰিমাণে বৃদ্ধি পায়, ভোগ্য ব্যয় একে হাৰত বৃদ্ধি নোপোৱাৰ বাবে দেশত যোগানৰ পৰিমাণতকৈ চাহিদাৰ পৰিমাণ কম হয়। পৰিনামত সক্ৰিয় চহিদা কম হৈ যোৱাত অৰ্থনীতিত সংকোচনৰ উদ্ভৱ হয়। বজাৰত সামগ্ৰীৰ দাম কমি লাভ কমাত বহু উৎপাদনীয় খণ্ডত উৎপাদন বন্ধ হৈ যায় আৰু নিযুক্তি কমি নিবনুৱাৰ সৃষ্টি হয়।

আমাৰ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা আমাৰ অসমতো নিবনুৱা সমস্যাই এক ভয়াবহ সমস্যাৰূপে দেখা দিছে। 1991 চনৰ হিচাপ মতে অসমৰ মুঠ জনসংখ্যাৰ 36.4 শতাংশ মানুহেই আছিল কৰ্মৰত জনসংখ্যা। ইয়াৰ 45 শতাংশ মানুয়েহে নিযুক্তি লাভ কৰিছিল। 1971 চনত অসমত 34.0 শতাংশ আৰু 1980–81 চনত 41.8 শতাংশ লোকক নিযুক্তি প্ৰদান কৰা হয়। অসমৰ বিভিন্ন নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ণ কৰা কৰ্ম প্ৰাৰ্থীৰ সংখ্যা তলৰ 6.1 তালিকাত দিয়া ধৰণৰ।

### তালিকা নং- ৬.১
### অসমৰ নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়ণভূক্ত কৰ্মপ্ৰাৰ্থীৰ সংখ্যা

| বছৰ | নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়ণভূক্ত কৰ্ম প্ৰাৰ্থীৰ সংখ্যা |
|---|---|
| 1970-71 | 79,000 |
| 1980-81 | 3,71400 |
| 1990-91 | 13,32,500 |
| 2003 | 15,68,110 |
| 2004 | 16,31,216 |
| 2005 | 17,63,430 |
| 2006 | 18,27,149 |
| 2008 | 20,06,389 |
| 2009 | 20,79,558 |
| 2010 | 19,11,431 |

উৎস ঃ Economic Survey, Assam, 2000 to 2011-12

তলৰ তালিকা 6.2 যোগেদি 2008, 2009 আৰু 2010 চনত অসমৰ শিক্ষিত নিবনুৱা সংখ্যাৰ বিষয়ে এটি আভাস দিয়া হ'ল।

### তালিকা নং- ৬.২
### অসমৰ শিক্ষিত নিবনুৱাৰ সংখ্যা

| শ্ৰেণী | 2008 | 2009 | 2010 |
|---|---|---|---|
| স্নাতক অভিযন্ত্ৰা | 2978 | 3007 | 2839 |
| স্নাতক চিকিৎসা | 617 | 729 | 681 |
| স্নাতক কৃষি বিভাগ | 1127 | 1231 | 1167 |
| স্নাতক পশু চিকিৎসক | 492 | 543 | 512 |
| বাণিজ্যিক অভিযন্ত্ৰা | 17132 | 17233 | 16212 |
| অনা বাণিজ্যিক অভিযন্ত্ৰা | 4015 | 4090 | 3858 |
| স্নাতকোত্তৰ | 23293 | 24946 | 21352 |
| স্নাতক | 231529 | 299402 | 283471 |
| H.S.S.L.C | 392558 | 452537 | 427451 |
| H.S.L.C | 667329 | 700518 | 661155 |

| | | | |
|---|---|---|---|
| অভিযন্তা (ডিপ্লামাধাৰী)<br>অন্যান্য<br>মুঠ | 6012<br>4429<br>**1351511** | 11609<br>4473<br>**1520310** | 10431<br>4089<br>**1433218** |

*Source : Directorate of Employment and Craftmen Training, Assam*

6.3.2 । **নিয়োগ নীতি (Employment Policy) :** ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট যে বৰ্তমান সময়ত শিক্ষিত-অশিক্ষিত দুয়ো প্ৰকাৰ নিবনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। এই সমস্যাৰ যাতে সাময়িকভাৱে হ'লেও সকাঁহ লাভ কৰিব পাৰি তাৰ বাবে অসম তথা কেন্দ্ৰীয় চৰকাৰে নিয়োগৰ সা-সুবিধা থকা আঁচনি যুগুত কৰি আহিছে। ষষ্ঠ পৰিকল্পনাত আংশিকভাৱে এনে আঁচনি ৰূপায়ণ কৰা দেখা যায়। কিন্তু সপ্তম পৰিকল্পনাৰ পৰা বৰ্তমানলৈকে অসম তথা কেন্দ্ৰীয় চৰকাৰে নিয়োগৰ সা-সুবিধা প্ৰত্যক্ষভাৱে বৃদ্ধি কৰাটো পৰিকল্পনাসমূহৰ মুখ্য উদ্দেশ্য হিচাপে গণ্য কৰে।

স্বাধীনতা লাভৰ পিছত দেশৰ সৰ্বাংগীন উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে যেতিয়া প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা হাতত লয় তেতিয়া ভাৰত তথা অসমত কুটীৰ শিল্পৰ উন্নয়ন, খাল, পথ নিৰ্মাণ আদিৰ জৰিয়তে নিয়োগ সৃষ্টি কৰাৰ আঁচনি গ্ৰহণ কৰে। এই নীতিয়েই দ্বিতীয় আৰু তৃতীয় পৰিকল্পনাটো বাহাল ৰখা দেখা পোৱা যায়। চতুৰ্থ পৰিকল্পনাত শ্ৰম-প্ৰধান ৰাজহুৱা নিৰ্মাণ কাৰ্য্য আৰু উদ্যোগসমূহত শ্ৰম প্ৰধান উৎপাদন কৌশল প্ৰয়োগৰ ব্যৱস্থা কৰা হয়। অৱশ্যে এই পৰিকল্পনাত বিজয় ভাগৱতী সমিতিৰ পৰামৰ্শমৰ্ম্মে চৰকাৰে নিয়োগ বৃদ্ধি আঁচনি প্ৰস্তুত কৰিবলৈ গৈ ক্ষুদ্ৰ আকাৰৰ জলসিঞ্চন, গ্ৰাম্য পথ নিৰ্মাণ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। পঞ্চম পৰিকল্পনাত চতুৰ্থ পৰিকল্পনাৰ নিয়োগ নীতিয়েই প্ৰচলিত থাকে। কিন্তু ষষ্ঠ পৰিকল্পনাত নিয়োগ নীতি ব্যাপক আৰু সংহতৰূপত গ্ৰহণ কৰা দেখা যায়। এই পৰিকল্পনাত কেন্দ্ৰীয় চৰকাৰে নিয়োগ বৃদ্ধিৰ লক্ষ্যৰে চাৰিখন আঁচনি গ্ৰহণ কৰে। এই আঁচনিকেইখন হ'ল — (1) সংহত গ্ৰাম্য উন্নয়ন আঁচনি (Integrated Rural Development Programme অৰ্থাৎ IRDP) (2) ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (National Rural Employment Programme অৰ্থাৎ NRCP) (3) গ্ৰাম্য ভূমিহীন নিয়োগ আঁচনি (Rural landless Employment Guarantee Programe অৰ্থাৎ RLEGP) আৰু স্বনিয়োজনৰ বাবে গ্ৰাম্য যুৱক-যুৱতীৰ প্ৰশিক্ষণ

(Training Rural Youth for Self Employment অৰ্থাৎ TRYSEM)

ভাৰতৰ এটা অন্যতম সংস্থা National sample Survey Organization (NSSO) ৰ মতে ভাৰতৰ 62 শতাংশ নিবনুৱা গ্ৰাম্য এলেকাত আৰু 38 শতাংশ নগৰীয়া এলেকাত থাকে। সেয়েহে ভাৰত চৰকাৰে অষ্টম পাঁচ বছৰীয়া পৰিকল্পনা নীতি 30,000 কোটি টকা গ্ৰাম্য উন্নয়নৰ বাবে ধাৰ্য্য কৰে। যি কি নহওঁক ভাৰতৰ পৰা দৰিদ্ৰতা সমস্যা নাইকীয়া কৰিবৰ বাবে আৰু নিযুক্তি বৃদ্ধিৰ বাবে আজি পৰ্য্যন্ত তলত উল্লেখ কৰা আঁচনিসমূহ ৰূপায়ন কৰে।

1. প্ৰধান মন্ত্ৰী গ্ৰামোদয়া যোজনা (PMAY)।
2. স্বৰ্ণ জয়ন্তী স্ব-ৰোগাৰ যোজনা (SGSY)।
3. সম্পূৰ্ণ গ্ৰামীণ ৰোজগাৰ যোজনা (SGRY)।
4. প্ৰধান মন্ত্ৰী ৰোজগাৰ যোজনা (PMAY)।
5. মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিতকৰণ যোজনা (MGNREGA)।
6. প্ৰধান মন্ত্ৰী নিযুক্তি নিশ্চিতকৰণ আঁচনি (PMEGP)।
7. মূখ্যমন্ত্ৰী স্ব-নিয়োজন আঁচনি (CMSS)।
8. মূখ্যমন্ত্ৰী কৰ্মজ্যোতি আঁচনি (MKA)।
9. উদ্যোগজ্যোতি আঁচনি (UA)।
10. উৎপাদনীয় কাৰখানাত নিযুক্তি (Factory Employment)।

6.3.3। **অসমত নিবনুৱা সমস্যা সৃষ্টি হোৱাৰ কাৰণ (Causes of Unemployment Problem in Assam) :** অসমত নিবনুৱা সমস্যা সৃষ্টি হোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰিলে তলত উল্লেখ কৰা কাৰণসমূহ দেখা পোৱা যায়। সেইয়া হ'ল—

(1) **জনবিস্ফোৰণ (Population Explosion) :** আমি যদি অসমৰ জনসংখ্যা সম্পৰ্কে অধ্যয়ন কৰোঁ তেনেহ'লে দেখা পাম যে 1901 চনত অসমত মাথোন 33 লাখ জনসংখ্যা আছিল। 1911 চনত অসমৰ জনসংখ্যা 56 লাখলৈ বৃদ্ধি পায়। 1961 চনত অসমৰ জনসংখ্যা 108 লাখলৈ বাঢ়ে। এনেদৰে জনসংখ্যা বাঢ়ি 2011 চনত অসমৰ জনসংখ্যা 312 লাখ হয়গৈ। আমি যদি ভাৰতৰ জনসংখ্যালৈ লক্ষ্য কৰোঁ তেন্তে দেখা পাম যে 1901 চনত

অসমৰ জনবসতিৰ ঘনত্ব আছিল 42 প্ৰতি কি.মি কিন্তু ভাৰতত আছিল প্ৰতি কি.মিটাৰত 77 জন। 1961 চন পৰ্য্যন্ত অসমৰ জনবসতিৰ ঘনত্ব ভাৰতৰ তুলনাত কম (138<142) কিন্তু 1971 চনৰ পৰা অসমৰ জনবসতিৰ ঘনত্ব (186) ভাৰতৰ তুলনাত (177) বেছি হৈ বৰ্তমানত অসমত (397) আৰু ভাৰতৰ জনবসতিৰ ঘনত্ব প্ৰতি কিলোমিটাৰত 382 জন হৈছেগৈ। গতিকে আমি কম যে ভাৰতৰ তুলনাত অসমত জনবিস্ফোৰণ কিছু বেছি হোৱা যেন অনুভৱ হয়। কিন্তু অসমত যিহেতু বৃহৎ উদ্যোগৰ অভাৱ সেয়েহে নিযুক্তিৰ অৱকাশ নিচেই সামান্য। উদাৰণস্বৰূপে অসমৰ নিয়োগ বিনিময় কেন্দ্ৰসমূহৰ হিচাপে মতে 2010 বৰ্ষত অসমত মুঠ 19,11,431 জন নিবনুৱা আছে। যিসকলো নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ণ কৰা নাই তেওঁলোকক ধৰিলে ই এক বিশাল সংখ্যাত পৰিণত হ'ব। তথাপিও 2010 চনলৈ মুঠ 14,33,218 জন নিবনুৱাই নাম পঞ্জীয়ণ কৰিছিল। উল্লেখযোগ্য যে 2010 চনত অসমত চৰকাৰী খণ্ডত 5,31,120 জনে আৰু বেচৰকাৰী খণ্ডত 5,82,989 জন লোক কৰ্মৰত অৱস্থাত আছিল।

2. **নিম্ন প্ৰগতিৰ হাৰ (Slow Rate of Growth)** ঃ অসমত যি হাৰত শিক্ষিতৰ হাৰ আৰু জনসংখ্যা বৃদ্ধি হাৰ পৰিৱৰ্তন হৈছে দেশত নিযুক্তিৰ হাৰ বা উন্নয়নৰ হাৰ তাতোতকৈ বহুত কম হোৱা দেখা যায়। উদাহৰণস্বৰূপে প্ৰতিটো পঞ্চ বাৰ্ষিক পৰিকল্পনাত প্ৰগতিৰ হাৰ যিমান কৰাৰ পৰিকল্পনা হাতত লোৱা হয় পৰিকল্পনাৰ শেষত এই হাৰ যথেষ্ট কম হোৱা দেখা যায়। এনে নিম্ন প্ৰগতিৰ হাৰে দেশত নিযুক্তিৰ হাৰ কম কৰাত নিবনুৱা সমস্যা দিনক-দিনে বৃদ্ধি পাইছে।

3. **কৃষিৰ অনগ্ৰসতা (Backwardness in Agriculture)** ঃ অসমৰ ভূমিত আজিও পুৰণিকলীয়া কৃষি নীতিয়ে ব্যৱহাৰ কৰি অহা হৈছে। কৃষি কাৰ্য্যত বিজ্ঞানসন্মত, প্ৰণালীবদ্ধভাৱে পৰিকল্পিত কৃষি কাৰ্য্য আজিও ৰূপায়ন হোৱা দেখা নেযায়। অসমত এটা কৃষি বিভাগ আছে যদিও এই কৃষি বিভাগে অসমৰ কৃষিখণ্ডৰ কোনো প্ৰভাৱ পেলাব পৰা নাই। কৃষি খণ্ডক অনগ্ৰসতাৰ লগতে জনবিস্ফোৰণে নিবনুৱা সৃষ্টিত অৰিহণা যোগাইছে।

4. **ঔদ্যোগীক উন্নয়নত অনগ্ৰসতা (Insufficient Industrial Development)** ঃ অসমত ঔদ্যোগীক উন্নয়ন মুঠেই সন্তোষজনক নহয়।

মূলধনৰ নাটনি, উপযুক্ত কাৰিকৰী শিক্ষাৰ অভাৱ, কেঁচামালৰ অভাৱ, বিজুলী শক্তিৰ নাটনি, শ্ৰমভিত্তিক বিনিয়োগৰ অভাৱ, উপযুক্ত বা দক্ষ উদ্যোক্তাৰ অভাৱ, বজাৰৰ অভাৱ আদিবোৰ কাৰণত অসমত উদ্যোগীকৰণে সফলতা লাভ কৰিব পৰা নাই। ফলত নিযুক্তিৰ উৎস নাইকীয়া হৈ আহিছে।

5. **প্ৰচলিত শিক্ষা ব্যৱস্থা (Prevailing Education System) ঃ** অসমত যি শিক্ষা ব্যৱস্থা চলি আছে, এই শিক্ষা ব্যৱস্থাই এচাম অদক্ষ নিবনুৱাৰহে সৃষ্টি কৰে বুলি সমাজত সমালোচিত হোৱা দেখা যায়। অসমত কৰ্মৰ লগত সামঞ্জস্য থকা বৃত্তিমূলক আৰু ব্যৱহাৰিত শিক্ষাৰ অভাৱেও এক বৃহৎসংখ্যক নিবনুৱাৰ জন্ম দিছে।

6. **কুটীৰ আৰু গ্ৰামীন শিল্পৰ প্ৰতি অনীহা (Less Interest for Small and Village Industries) ঃ** আগতে অসমৰ ঘৰে-ঘৰে কিবা নহয় কিবা এটা কুটীৰ আৰু গ্ৰামীণ শিল্পৰ কাম চলিছিল। গ্ৰাম্য এলেকাৰ কোনো ব্যক্তিয়েই এনেয়ে সময় কটোৱা দেখা গৈছিল। কিন্তু সময় পৰিৱৰ্তনে মানুহৰ ৰুচি, অভ্যাস, জীৱন ধাৰণৰ পদ্ধতি সকলো সলনি কৰিলে। বৰ্তমানত এনেবোৰ কামৰ জৰিয়তে কোনো মতেও দুবেলা দুসাজ যোগাৰ কৰা সম্ভৱ নহয় বাবে এনেবোৰৰ প্ৰতি মানুহৰ অনীহা ভাৱৰ সৃষ্টি হ'ল।

6.3.4। **অসমত নিবনুৱা সমস্যা প্ৰতিকাৰৰ উপায় ঃ** আমি জানো যে অসম এখন কৃষি প্ৰধান অৰ্থনীতি। উদ্যোগীকৰণৰ দিশত অসম যথেষ্ট পিছপৰা। অসমৰ ভৌগোলিক অৱস্থান বৃহৎ উদ্যোগ স্থাপনৰ বাবে উপযোগী নহয়। এনেবোৰ কাৰণত অসম আজিও কৃষি প্ৰধান অৰ্থনীতি হিচাপেই থাকিব লগা হৈছে। ফলত অসমত গ্ৰাম্য নিবনুৱাইহে অতি ভয়াবহ ৰূপ ধাৰণ কৰিছে। যিকি নহওক অসমৰ নিবনুৱা সমস্যা সমাধানৰ বাবে আমি তলত উল্লেখ কৰা পৰামৰ্শসমূহৰ সহায় ল'ব পাৰে।

1. **কৃষিৰ আধুনিকীকৰণ ঃ** অসমৰ কৃষিখণ্ডক আধুনিকীকৰণ কৰিব পাৰিলে কৃষিৰ লগতে আনুষংগিক খণ্ডতো যথেষ্ট পৰিমাণে নিযুক্তিৰ সম্ভৱনা সৃষ্টি কৰিব পৰা যাব। কৃষিখণ্ডৰ উন্নতিয়ে এহাতে উৎপাদন বৃদ্ধি কৰিব, অন্যহাতেদি বজাৰৰ সম্প্ৰসাৰণ, কৃষিভিত্তিক উদ্যোগৰ সম্প্ৰসাৰণ আদিৰ জৰিয়তে শ্ৰমিক কৰ্মচাৰীৰ নিযুক্তিৰ সুয়োগ বহু পৰিমাণে বৃদ্ধি পাব।

2. **গ্ৰামীণ উদ্যোগ সম্প্ৰসাৰণ ঃ** অসমৰ জনসাধাৰণৰ মাজত কিছুমান গ্ৰাম্য উদ্যোগৰ বিকাশ ঘটাবৰ বাবে চৰকাৰীভাৱে প্ৰচেষ্টা চলোৱাৰ লগতে গ্ৰাম্য নিবনুৱাক প্ৰেৰণাৰ যোগান ধৰিব লাগিব। উদাহৰণস্বৰূপে গো-পালন, হাঁহ-কুকুৰা পালন, মীন পালন, ফল-মূলৰ খেতি যেনে- কলৰ খেতি, আনাৰসৰ খেতি, অমিতাৰ খেতি, খৰালি কালত কৰা উদ্যান শস্য যেনে- কবি, আলু, মূলা, বিলাহী আদিৰ শস্য মৌ-পালন আদিবোৰ গ্ৰাম্য যুৱক-যুৱতীসকলৰ মাজত আকৰ্ষিত নিয়োগৰ উপায় হিচাপে প্ৰতিষ্ঠা কৰিলে গ্ৰাম্য নিবনুৱা সমস্যা বহু পৰিমাণে কমিব।

3. **গ্ৰাম্য এলেকাৰ উন্নয়ন ঃ** অসমৰ গ্ৰাম্য এলেকাত ৰাস্তা-ঘাট, চিকিৎসা সেৱা, আন্তঃগাঁঠনি উন্নয়ন সাধন কৰিব পাৰিলে গ্ৰাম্য এলেকাৰ মানুহৰ চিন্তা ধাৰাৰ পৰিৱৰ্তন নিশ্চিত। ইয়াৰ সহায়েৰে গ্ৰাম্য নিবনুৱাই উপযুক্ত কৰ্ম সংস্থাপনৰ সুযোগ গ্ৰহণ কৰিব পাৰে।

4. **শ্ৰম উদ্ভুত উৎপাদন পদ্ধতিৰ ব্যৱহাৰ ঃ** অসমৰ চৰকাৰে এনে কিছুমান উৎপাদনীয় ক্ষেত্ৰ গঢ়ি তোলা দৰকাৰ যাৰ যোগেদি গ্ৰাম্য এলেকাতেই হওক বা নগৰীয়া এলেকাতেই হওক শ্ৰমিক নিযুক্তিৰ সংখ্যা বৃদ্ধি কৰিব পাৰি।

5. **থলুৱা সম্পদৰ ব্যৱহাৰ ঃ** অসমৰ বিভিন্ন স্থানত বিভিন্ন ধৰণৰ উৎপাদন ব্যৱস্থা গঢ়ি উঠিব পৰাকৈ কিছুমান থলুৱা সম্পদ পোৱা যায়। সেই এলেকাৰ জনসাধাৰণে তেনে সম্পদ ব্যৱহাৰ কৰি বিভিন্ন সামগ্ৰী উৎপাদনত বিশেষ পাৰদৰ্শিতা লাভ কৰে। গতিকে তেনেবোৰ এলেকাত তেনে সামগ্ৰী উৎপাদনত বিশেষভাৱে মনোনিবেশ কৰিলে এহাতে উৎপাদন বাঢ়িব আৰু অন্যহাতেদি নিযুক্তি বৃদ্ধি পাব।

6. **জনসংখ্যা নিয়ন্ত্ৰণ ঃ** অসমত নিবনুৱা সমস্যা সমাধান কৰিবলৈ জনসংখ্যা নিয়ন্ত্ৰণ সমস্যা সমাধান কৰিবই লাগিব। কাৰণ বৰ্তমানত দেখা দিয়া জনবিস্ফোৰণ অৱস্থাত অসমৰ দৰে অৰ্থনীতিত নিবনুৱা সমস্যা সমাধান কৰা সম্ভৱপৰ নহয়।

7. **বিত্তৰ যোগান ঃ** অসমত এনে কিছুমান ক্ষুদ্ৰ উদ্যোগ আছে যিবিলাক অলপমান বিত্তীয় সাহাৰ্য্য লাভ কৰিলেই অসমীয়া যুৱকে অনায়াসে চলাই যথেষ্ট লাভৱান হোৱাৰ লগতে অন্যান্য নিবনুৱা যুৱককো নিযুক্তিৰ সুযোগ দিব পাৰে।

৪. **নিয়োগ নীতি ঃ** অসমৰ জনসাধাৰণৰ মাজত দেখা দিয়া ভয়াবহ নিবনুৱা সমস্যা সমাধানৰ বাবে চৰকাৰে উপযুক্ত নিয়োগ নীতি গ্ৰহণ কৰিলে সমস্যাটোৰ আংশিক সমাধান নিশ্চয় হ'ব।

9. **বেংকৰ সহাঁৰি ঃ** অসমৰ বেংকসমূহে ৰঙা ফিটাৰ মেৰপাক সৃষ্টি নকৰি নিবনুৱা যুৱকসকলক সহজ আৰু সৰলীকৃত পদ্ধতিৰে ঋণ প্ৰদানৰ যোগেদি বিনিয়োগ বৃদ্ধি কৰিবলৈ উৎসাহিত কৰিলে দেশত এহাতে বিনিয়োগ বৃদ্ধি পাব আৰু অন্যহাতেদি নিবনুৱা যুৱক-যুৱতীসকলে ক্ষুদ্ৰ উদ্যোগ আৰু অন্যান্য খণ্ডত নিয়োগ বৃদ্ধিৰ পথ সুগম কৰিব পাৰিব।

10. **নিবনুৱাৰ মানসিক পৰিৱৰ্তন ঃ** অসমৰ সকলো যুৱকক এনে মন্তব্যৰে দোষাৰোপ কৰাটো এক ভ্ৰান্ত ধাৰণা, হ'লেও এচাম যুৱকে অতি সস্তীয়া পদ্ধতিয়ে সহজ ধন উপাৰ্জন কৰিবলৈ চেষ্টা কৰাত অন্য এচাম যুৱকে বিপথে পৰিচালিত হৈ নিজৰ জীৱন বিপন্ন কৰি তোলে। এনে চাম যুৱক নিজৰ চিন্তা চৰ্চাক ভৱিষ্যত প্ৰজন্মৰ উন্নতি সাধন কৰিব পৰাকৈ উপযুক্ত দিশত নিজকে আত্মনিয়োগ কৰিব পাৰিলে দেশৰ নিশ্চিত উন্নয়ন সম্ভৱ হ'ব।

6.4। **প্ৰব্ৰজন আৰু অসমত ইয়াৰ প্ৰভাৱ (Immigration and Its Impacts in Assam) ঃ** কোনো এখন দেশৰ পৰা অন্য এখন দেশলৈ নীতিগতভাৱে বা অনৈতিকভাৱে হোৱা জনস্ৰোতকে প্ৰব্ৰজন বোলা হয়।

কোনো এখন দেশৰ বাবে প্ৰব্ৰজন কেতিয়াবা-কেতিয়াবা আশীৰ্বাদস্বৰূপ হয় আৰু কেতিয়াবা-কেতিয়াবা অভিশাপস্বৰূপ হোৱা দেখা যায়। সাধাৰণতে কোনো এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ গতি ক্ষীপ্ৰ কৰিবলৈ হ'লে দেশখনৰ প্ৰাকৃতিক সম্পদসমূহক উপযুক্ত পৰিমাণে ব্যৱহাৰ কৰিব পৰাকৈ শ্ৰম শক্তিৰ প্ৰয়োজন। যদি শ্ৰম শক্তিৰ নাটনি ঘটে তেনেহ'লে প্ৰৱজনৰ যোগেদি শ্ৰম শক্তিৰ এনে নাটনি পূৰণ কৰি দেশত যেতিয়া জনসংখ্যা আশা কাম্যতম পৰিমাণতকৈও অধিক হয় তেতিয়া প্ৰৱজনে দেশত সমস্যাৰ সৃষ্টি কৰে।

আমি যদি অসমৰ ক্ষেত্ৰত বহিঃ ৰাজ্যৰ পৰা প্ৰব্ৰজনৰ দিশটো আলোচনা কৰোঁ তেনেহ'লে দেখা পাম যে অসমৰ ক্ষেত্ৰত প্ৰব্ৰজন ধাৰণাটো যথেষ্ট পুৰণি। আহোম ৰজাসকলৰ দিনতে অসমত বহুতো কামৰ বাবে উপযুক্ত লোক বিচাৰি ভাৰতৰ বিভিন্ন স্থানৰ পৰা লোক অসমলৈ অনা হৈছিল। পুনৰ মুছলমানসকলৰ

অসম আক্রমণৰ সময়তো অসমত বহুতো মুছলমান সৈন্য অসমত থাকি গৈছিল।

বৃটিছসকল অসমলৈ অহাৰ পাছত অসমত চাহ শিল্পৰ সম্প্ৰসাৰণ কৰিবলৈ গৈ ভাৰতৰ বিভিন্ন স্থানৰ পৰা শ্ৰমিকসকলক অসমলৈ আনিছিল। অসমৰ কৃষকসকলো মাথোন নিজৰ ভূমি কেইডৰাত বছৰত মাথোন এবাৰ খেতি কৰিয়েই নিজৰ দায়িত্ব সামৰিছিল। ৰাহী উৎপাদনৰ চিন্তা তেওঁলোকে কৰিব পৰা নাছিল। সেয়েহে স্বাধীনতাৰ পিছৰ পৰা অসমৰ আবাদী মাটিত কৃষিৰ সম্প্ৰসাৰণ ঘটাবলৈ সেই কালৰ ৰাজনৈতিক চক্ৰই প্ৰচেষ্টা হাতত লৈছিল। ফলত এক বৃহৎ পৰিমাণ বেঙ্গলী মুছলমান লোক অসমলৈ প্ৰব্ৰজন কৰিছিল। 1971 চনৰ বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সময়ত বাংলাদেশৰ পৰা অসমলৈ এক বৃহৎ সংখ্যক লোক পলাই আহিছিল।

1977–81 দশকৰ ভিতৰত 39 লাখ হিন্দু মানুহ বাংলাদেশত নোহোৱা হৈছিল। অৰ্থাৎ 1971–89 চনৰ ভিতৰত বাংলাদেশত মুঠ 75 লাখ হিন্দু মানুহ নোহোৱা হৈ গৈছিল। সম্ভৱত ইয়াৰ সৰহ সংখ্যাক লোক দেশ এৰি অসমলৈ দেশান্তৰ হৈছিল।

অসম, ভাৰত আৰু বাংলাদেশৰ দশকীয় বৃদ্ধিৰ হাৰ অধ্যয়ন কৰিলে তেনে এটা ধাৰণাৰ সৃষ্টি হোৱা দেখা যায়।

**তালিকা নং-**

**অসম, ভাৰত আৰু বাংলাদেশৰ দশকীয় বৃদ্ধিৰ হাৰ**

| বছৰ | অসম | ভাৰত | বাংলাদেশ |
|---|---|---|---|
| 1901–11 | 16.99 | 5.75 | 9.1 |
| 1911–21 | 20.48 | -0.31 | 5.4 |
| 1921–31 | 19.91 | 11.00 | 7.06 |
| 1931–41 | 20.40 | 14.22 | 17.06 |
| 1941–51 | 34.98 | 21.51 | 0.1 |
| 1951–61 | 34.95 | 24.80 | 29.83 |
| 1961–71 | – | – | – |
| 1971–81 | 23.8 | 24.66 | 31.83 |
| 1981–91 | 23.8 | 23.85 | 22.00 |